# مقدمة وغلاف المنتقى من موسوعة الأحاديث النبوية

(আৰম্ভ কৰিছোঁ) পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত।

ভূমিকা

সকলো ধৰণৰ প্ৰশংসা বিশ্বজগতৰ প্ৰতিপালক আল্লাহৰ বাবে। দৰূদ আৰু ছালাম বৰ্ষিত হওক আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত, তেওঁৰ পৰিয়ালবৰ্গ আৰু চাহাবাসকলৰ ওপৰত, লগতে সেইসকল লোকৰ ওপৰত যিসকলে কিয়ামত পৰ্যন্ত তেওঁলোকৰ অনুসৰণ কৰিব। ইয়াৰ পিছতঃ

আল্লাহৰ কিতাবৰ পিছত মুছলিমসকলে আটাইতকৈ বেছি যিটো বস্তুক গুৰুত্ব দিব লাগে সেয়া হৈছে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ। অধ্যয়নৰ জৰিয়তে, চিন্তা-চৰ্চা আৰু গৱেষণাৰ জৰিয়তে, লগতে জ্ঞান অৰ্জন আৰু তাৰ প্ৰতি আমলৰ জৰিয়তে ইয়াৰ প্ৰতি গুৰুত্ব দিয়া উচিত। তেখেত আলাইহিচ্ছালাতু অচ্ছালামে কৈছেঃ

«تركتُ فيكم أيُّها الناس، ما إنِ اعتصمتم به، فلن تضلُّوا أبدًا: كتاب الله، وسُنَّة نبيِّه»

"হে মানৱজাতি! মই তোমালোকৰ মাজত এনেকুৱা বস্তু এৰি থৈ গ'লোঁ, যদি তোমালোকে ইয়াক মজবুতভাৱে ধৰি ৰাখা তেন্তে কেতিয়াও তোমালোকে পথভ্ৰষ্ট নহ'বা। সেয়া হৈছেঃ আল্লাহৰ কিতাব আৰু তেওঁৰ নবীৰ হাদীছ।" (ইমাম মালিকে এই হাদীছটো বৰ্ণনা কৰিছে।) এইদৰে মহান আল্লাহে কৈছেঃ

{وَمَا آتَاكُمُ الرَّسُولُ فَخُذُوهُ وَمَا نَهَاكُمْ عَنْهُ فَانْتَهُوا}

ৰাছুলে তোমালোকক যি দিয়ে সেয়া তোমালোকে গ্ৰহণ কৰা, আৰু যিটোৰ পৰা তেওঁ তোমালোকক নিষেধ কৰে তাৰ পৰা বিৰত থাকা। (ছুৰা আল-হাশ্বৰঃ ৭) সেয়ে জমঈয়্যত খিতমাতুল মুহতাৱা আল ইছলামী বিল্লুগাত আৰু জমঈয়্যতুদ দা'ৱাহ অতাওঈয়্যাতুল জালিয়াত বিৰ ৰাবৱাৰ যৌথ প্ৰচেষ্টাত হাদীছে নবৱীৰ এটা বিশ্বকোষ প্ৰস্তুত কৰা হৈছে, যিটোক ইতিমধ্যে বিভিন্ন ভাষাত অনুবাদ কৰা হৈছে।

সৰ্বশক্তিমান আল্লাহে আমাক সেই বিশাল বিশ্বকোষৰ পৰা মুছলিমসকলৰ দ্বিনী আৰু দুনিয়াৱী ক্ষেত্ৰত প্ৰয়োজনীয় কিছুমান হাদীছ নিৰ্বাচন কৰাৰ সৌভাগ্য প্ৰদান কৰিছে, লগতে তাত সেই হাদীছবোৰৰ অৰ্থ, ব্যাখ্যা সহকাৰে স্পষ্ট বিৱৰণ আৰু কিছুমান উপকাৰী তথ্যও উল্লেখ কৰাৰ তাওফীক প্ৰদান কৰিছে। প্ৰস্তুতকৃত এই কিতাপখনক এই নামেৰে নামকৰণ কৰা হৈছেঃ «المنتقى من موسوعة الأحاديث النبوية»

হাদীছ বিশ্বকোষৰ পৰা নিৰ্বাচিত কিছুমান হাদীছ। বিশ্বৰ সকলো জীৱিত ভাষাতে ইয়াৰ অনুবাদৰ কাম অব্যাহত আছে, যাতে সকলোৱে ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰে, আৰু যাতে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ সকলো ভাষাতে সহজলভ্য কৰিব পৰা যায়।

গতিকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, তেওঁ যেন আমাৰ এই প্ৰচেষ্টা কবূল কৰে, আৰু একমাত্ৰ তেওঁৰ সন্তুষ্টি অৰ্জনৰ বাবে তেওঁ যেন ইয়াক বৰকতময়

আমলৰ অন্তৰ্ভুক্ত কৰে। লগতে ইয়াৰ প্ৰস্তুতি, অনুবাদ আৰু প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত যিসকলে সহায় কৰিছে, তেওঁলোক আটাইকে যেন ইয়াৰ উত্তম প্ৰতিদান দিয়ে।

আল্লাহে আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত দৰূদ আৰু ছালাম বৰ্ষণ কৰক।

সংক্ষিপ্ত পৰিচিতি

ইছলামী চৰীয়তৰ দ্বিতীয় মহা উৎস হৈছে হাদীছে নবৱী। মহান আল্লাহে কৈছেঃ

{وَمَا يَنْطِقُ عَنِ الْهَوَى (٣) إِنْ هُوَ إِلَّا وَحْيٌ يُوحَى}

আৰু তেওঁ মনে সজা কথা নকয়।

এয়া হৈছে এক প্ৰকাৰ অহী, যিটো তেওঁৰ প্ৰতি অহীৰূপে প্ৰেৰণ কৰা হয়। (ছুৰা আন-নাজমঃ ৩-৪)

হাদীছ বিশ্বকোষৰ পৰা নিৰ্বাচিত হাদীছৰ এই গ্ৰন্থখনত কেৱল জামে হাদীছসমূহকহে একত্ৰিত কৰা হৈছে। যিবোৰ এজন মুছলিমৰ দ্বিনী আৰু দুনিয়াৱী ক্ষেত্ৰত সদায় প্ৰয়োজন হয়। সেয়ে ইয়াত হাদীছৰ সৈতে তাৰ অৰ্থ, ব্যাখ্যা আৰু স্পষ্ট বিৱৰণ দাঙি ধৰা হৈছে, লগতে হাদীছৰ পৰা সংগৃহীত কিছুমান উপকাৰী তথ্য উল্লেখ কৰা হৈছে। এইদৰে এই গ্ৰন্থখনক বিশ্বৰ প্ৰায় সকলো জীৱিত ভাষাতে অনুবাদ কৰা হৈছে, যাতে ব্যাপকভাৱে সকলোৱে ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰে, আৰু যাতে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ গোটেই মানৱজাতিৰ ভাষাত সহজলভ্য কৰিব পৰা যায়।

# সূচীপত্র

No table of contents entries found

as375v1.0 - 04/09/2026